# অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্যালয় - লক্ষীমপুৰ - উত্তৰ লক্ষীমপুৰ

(ৰাজহ শাখা)

নং LRC.VII/47/2018/২০৬ তাৰিখ- ১৮/১১/২০২২

## জাননী

ইয়াৰ দ্বাৰা ইচ্ছুক প্ৰাৰ্থীৰ জ্ঞাতাৰ্থে জনোৱা যায় যে, ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত তলত উল্লেখ কৰা গাওঁসমূহৰ গাওঁ প্ৰধান পদ পূৰণৰ বাবে সেই লাটৰ অন্তৰ্ভুক্ত ব্যক্তিৰ পৰা আবেদন বিচৰা হৈছে। সেয়েহে, ইচ্ছুক প্ৰাৰ্থীয়ে উক্ত পদ পূৰণৰ বাবে অহা ইং ২৮/১১/২০২২... ৰ পৰা ০২/১২/২০২২.. তাৰিখৰ ভিতৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিম্নস্বাক্ষৰকাৰীৰ কাৰ্যালয়ত, কাৰ্যালয় খোলা দিনত আবেদন কৰিব পাৰিব। উল্লেখিত তাৰিখৰ পাছত কোনো আবেদন গ্ৰহণ কৰা নহব।

*আবেদনকাৰীৰ অৰ্হতাঃ*

১) আবেদনকাৰী নূন্যতম প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা হব লাগিব (শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ সংলগ্ন কৰিব)।
২) আবেদনকাৰী ভাৰতীয় নাগৰিক হব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাওঁ অথবা গাওঁ প্ৰধান লাট সমূহৰ স্থায়ী বাসিন্দা হব লাগিব। (প্ৰমাণ পত্ৰ সংলগ্ন কৰিব)
৩) আবেদনকাৰী কোনো চৰকাৰী চাকৰিয়াল হব নালাগিব। (প্ৰমাণ পত্ৰ সংলগ্ন কৰিব)
৪) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হব নোৱাৰিব।
৫) আবেদনকাৰীৰ বয়স নূন্যতম ৩০ বছৰ হব লাগিব।
৬) আবেদনকাৰীয়ে ঋণমুক্ত প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।
৭) আবেদনকাৰী শাৰিৰীক আৰু মানসিকভাৱে সুস্থ হব লাগিব। (প্ৰমাণ পত্ৰ সংলগ্ন কৰিব)
৮) আবেদনকাৰীৰ নামত উক্ত এলেকাত স্থাৱৰ সম্পত্তি থাকিব লাগিব। (প্ৰমাণ পত্ৰ সংলগ্ন কৰিব)
৯) ১৯/০৭/২০১৯ তাৰিখৰ নং RLR.187/2007/Pt/24 ৰাজপত্ৰযোগে আংশিক সালসলনি কৰি ১০/০৪/২০১৮ তাৰিখে প্ৰকাশিত অধিসূচনা/ৰাজপত্ৰ নং RLR.187/2007/39 ৰ অন্তৰ্গত কাৰ্যকৰী নিৰ্দেশাৱলী নং ১৬২ ৰ দফা ১ ৰ অন্তৰ্গত উপ দফা II ত উল্লেখিত বিদ্যমান উপদফা X ৰ অন্তত ";" ৰ পৰিৱৰ্তে "." ব্যৱহাৰ কৰি নতুনকৈ সংযোজিত উপদফা XI আৰু XII অনুযায়ী আবেদনকাৰীৰ একক বা একাধিক জীৱনসংগীৰ পৰা ১৯/০৭/২০১৯ তাৰিখৰ পিছত দুটাতকৈ অধিক জীৱিত সন্তান থাকিব নোৱাৰিব। এই ক্ষেত্ৰত ইয়াৰ সত্যতাৰ প্ৰমাণ স্বৰূপে আবেদনকাৰীয়ে শপতনাপা দাখিল কৰিব লাগিব।

## খালি হোৱা পদৰ সবিশেষঃ

| ক্ৰমিক নং | ৰাজহ চক্ৰৰ নাম | গাওঁ | লাট নং | মৌজা |
|---|---|---|---|---|
| ১. | ঢকুৱাখনা ৰাজহ চক্ৰ | বাঘেঢাপলিয়াল | ৪ | মাছখোৱা |

উপায়ুক্ত,
লখিমপুৰ, উত্তৰ লখিমপুৰ

স্মাৰক নং LRC.VII/47/2018/২০৬ - A তাৰিখ-১৮/১১/২০২২

প্ৰতিলিপি জ্ঞাতাৰ্থে -

১। ভূমিলেখ্য ও জৰিপ অধিকৰ্তা, অসম, ৰূপনগৰ, গুৱাহাটী- ৩২ - মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।
২। যুটীয়া সচিব, অসম চৰকাৰৰ ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, দিছপুৰ, গুৱাহাটী ৬ - মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।
৩। অতিৰিক্ত উপায়ুক্ত (ৰাজহ), লক্ষীমপুৰ - ৰ জ্ঞাতাৰ্থে ও বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।
৪। মহকুমাধিপতি, ঢকুৱাখনা মহকুমা।
৫। ৰাজহ চক্ৰ বিষয়া, ঢকুৱাখনা ৰাজহ চক্ৰ।
৬। তথ্য ও জনসংযোগ বিষয়া, লখিমপুৰ। তেখেতক স্থানীয় বাতৰি কাকতত বহল প্ৰচাৰ কৰিবৰ বাবে জনোৱা হল।
৭। জিলা তথ্য ও প্ৰযুক্তি বিষয়া (NIC), লক্ষীমপুৰ। তেখেতক এই নিয়োগ বিজ্ঞাপন জিলাৰ ৱেবচাইটত প্ৰকাশ কৰিবৰ বাবে জনোৱা হল।
৮। খণ্ড উন্নয়ন বিষয়া, ঢকুৱাখনা উন্নয়ন খণ্ড।
৯। সংশ্লিষ্ট সকলো মৌজাদাৰ।
১০। কাৰ্যালয়ৰ জাননী ফলক।

উপায়ুক্ত,
লখিমপুৰ, উত্তৰ লখিমপুৰ